জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩৪৪/২০২২**

# পূৰ্বোত্তৰ স্বাভিমান উৎসৱত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অংশগ্ৰহণ

## ৰাষ্ট্ৰৰ স্বাধীনতা আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে যুঁজ দিয়া স্বাধীনতা সংগ্ৰামী আৰু জোৱানসকলক সশ্ৰদ্ধ স্মৰণ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ উদ্যোগত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত পূৰ্বোত্তৰ স্বাভিমান উৎসৱ উদ্‌যাপনৰ কাৰ্যসূচীত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

উল্লেখ্য যে, ৰাষ্ট্ৰ নিৰ্মাণত ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ অৱদানক উদ্‌যাপন কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ভাৰতীয় ৰাষ্ট্ৰবাদ বৃদ্ধিৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ভূমিকা আৰু বিশ্বব্যাপী সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক প্ৰেক্ষাপটত ভাৰতৰ উত্থানৰ চালিকা শক্তি হিচাপে উত্তৰ পূৰ্বাঞ্চলৰ কেনেদৰে বিকাশ ঘটিছে সেই বিষয়েও আলোকপাত কৰাৰ বাবেও এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিদেশী আধিপত্যৰ পৰা দেশখনক মুক্ত কৰাৰ বাবে স্বাধীনতা সংগ্ৰামত সবল ভূমিকা পালন কৰা অঞ্চলটোৰ সকলো স্বাধীনতা সেনানীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষা কৰাৰ লগতে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ ক্ষেত্ৰত সদাজাগ্ৰত প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জোৱান আৰু বীৰ নাৰীসকলকো তেওঁ সশ্ৰদ্ধ স্মৰণ কৰে। তেওঁ কয় যে এনেধৰণৰ কাৰ্যসূচীয়ে সামৰিক তথা অসামৰিক ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ অৰিহণা প্ৰদৰ্শনতো সহায় কৰে। এই উল্লেখনীয় পদক্ষেপৰ বাবে তেওঁ ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডক অভিনন্দন জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে অসমৰ স্থিতি শক্তিশালীকৰণৰ দিশত প্ৰধান ভূমিকা পালন কৰি যোৱা মহাবীৰ লাচিত বৰফুকনলৈও গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে অহা ২৪ নৱেম্বৰত ৰাজ্যবাসীক এইগৰাকী মহান বীৰৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধাঞ্জলি চিনস্বৰূপে অন্তত এগছি মাটিৰ চাকি জ্বলাবলৈ মুখ্যমন্ত্ৰীয়ে ৰাইজক আহ্বান জনায়।

অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, ভাৰতীয় সেনাৰ ইষ্টাৰ্ণ কমাণ্ডৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতাইও ভাষণ প্ৰদান কৰে। এই অনুষ্ঠানত ত্ৰিপুৰাৰ সাংস্কৃতিক আৰু তথ্য বিভাগৰ মন্ত্ৰী সুশান্ত চৌধুৰী, সাংসদ কামাখ্যা প্ৰসাদ তাছা প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / হেঃশঃ**
**২১/১১/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in